# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - - -***

অসম বিধানসভাত বিত্তমন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰৰ ধবজাবাহী আঁচনি অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰায় ৫ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ১৮ লাখৰ পৰা পৰৱৰ্তী বিত্তীয় বছৰৰ শেষলৈ ৩৭ দশমিক ২ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। বিধৱা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যাও পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। এই আঁচনিৰ অধীনত প্ৰদান কৰি অহা ধন মাহে এহেজাৰ ২৫০ টকালৈ বৃদ্ধি কৰা হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে।

এইবাৰৰ বাজেটত ৰেচন কাৰ্ডৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াললৈ মাহে ১ কিলোগ্ৰামকৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ঋণৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিখন অহা ১ এপ্ৰিলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মুকলি কৰিব। তদুপৰি নিযুত মইনা আঁচনিৰ জৰিয়তে উপকৃত হ'বলগীয়া ছাত্ৰীৰ সংখ্যা ৪ লাখ ২০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে। এইবাৰৰ বাজেটত গোলাঘাটৰ পাণবাৰীত ৫০০ কোটি টকা ব্যয়েৰে এটা বুৰঞ্জী সংগ্ৰহালয় নিৰ্মাণৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি অসমীয়া মানুহৰ ইতিহাস প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ বিদ্যালয়সমূহত অহা এপ্ৰিলৰ পৰা এই বিষয়টো বাধ্যতামূলক কৰা আৰু গুৱাহাটীত এটা প্ৰ'টন থেৰাপি কেন্দ্ৰ স্থাপনকে ধৰি ভালেমান বিষয়ত বাজেটত প্ৰস্তাৱ লোৱা হয়।

কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ ৬২০ কোটি ২৭ লাাখ টকাৰ ঘাটি বাজেটখন বিধানসভাত দাখিল কৰি শ্ৰীমতী নেওগে কয়, যে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯ শতাংশ আৰু জনমুৰি আয় ১৮ শতাংশলৈ বৃদ্ধি পাইছে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমক প্ৰগতিৰ বাট মুকলি কৰি দিয়া বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যখনত স্থায়ী শান্তি স্থাপনৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে। কেন্দ্ৰৰ পৰা অসমে ১৮ হাজাৰ ৫০০ কোটি টকাৰ সাহায্য লাভ কৰিছে বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে। তেওঁ কয়, যে অসমত প্ৰতিদিনে ১৩ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পকী পথ আৰু প্ৰায় এখনকৈ পকী দলং নিৰ্মাণ কৰি আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে উল্লেখনীয় সাফল্য লাভ কৰিছে। ছফ্‌ট পাৱাৰৰ ক্ষেত্ৰতো অসমে উদীয়মান ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি তেওঁ চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু নিউয়ৰ্ক টাইম্ছৰ ২০২৫ বৰ্ষত ভ্ৰমণ কৰিবলগীয়া ৫২টা নিৰ্বাচিত স্থানৰ তালিকাত

অসমে শীৰ্ষৰ চতুৰ্থটো স্থান লাভ কৰা সন্দৰ্ভতো বিত্তমন্ত্ৰী অজন্তা নেওগে উল্লেখ কৰে। তেওঁ কয়, যে ৭০ লাখতকৈও অধিক পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদানেৰে চৰকাৰে ২ কোটি ৪৫ লাখ ব্যক্তিক প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ আওতালৈ আনিবলৈ সমৰ্থ হৈছে।

১০৯ পৃষ্ঠাৰ এই বাজেটখনেই হৈছে ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত এই  বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০০

অসমৰ প্ৰত্যেক জিলাৰ আধাৰ কেন্দ্ৰসমূহত আধাৰ লাভৰ ব্যৱস্থা আছে আৰু চলিত বৰ্ষৰ জানুৱাৰীলৈকে ৰাজ্যখনত ৯৬ দশমিক ৯-৭ শতাংশ লোকে আধাৰ লাভ কৰিছে। বাজেট দাখিলৰ পূৰ্বে আজি বিধানসভাত বিধায়ক কমলাক্ষ দে' পুৰকায়স্থৰ এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অসমত থকা বাংলাদেশীৰ সংখ্যা ২০২১ চনৰ পৰা ২০২৪ চনলৈ ১৫৬ আৰু ইয়াৰে ২০২১ চনত ৫১, ২০২২ চনত ৫৭, ২০২৩ চনত ২২ আৰু ২০২৪ চনত ২৬ জন বাংলাদেশীক চিনাক্ত কৰা হৈছে। নাগৰিকত্ব বিষয়ত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। লোকপিয়ল সঞ্চালকালয়ৰ পৰা পোৱা তথ্য মতে নাগৰিকত্ব সংশোধনী আইন প্ৰৱৰ্তন হোৱা দিনৰ পৰা এতিয়ালৈ অসমত বাস কৰা মুঠ ৩৯ জন লোকে এই আইনৰ অধীনত নাগৰিকত্বৰ বাবে আবেদন কৰিছে। আবেদনকাৰীসকলৰ মাজৰ পৰা এতিয়ালৈকে দুগৰাকীক নাগৰিকত্ব প্ৰদান কৰা হৈছে আৰু ১৮ খন আবেদন বিচৰাধীন হৈ আছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ **জয়মতী**ৰে আৰম্ভ কৰা অসমীয়া চলচ্চিত্ৰৰ গৌৰৱময় যাত্ৰাই আজি ৯০ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৩৫ চনৰ ১০ মাৰ্চত তেতিয়াৰ কলিকতাৰ ৰৌনাক থিয়েটাৰত ৰূপকোঁৱৰ পৰিচালিত প্ৰথমখন অসমীয়া চলচ্চিত্ৰ জয়মতীয়ে মুক্তি লাভ কৰিছিল। সেই মাহৰে ২০ মাৰ্চত গুৱাহাটীৰ ঐতিহ্যমণ্ডিত কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অসমৰ জনসাধাৰণৰ বাবে ছবিখন প্ৰদৰ্শন কৰা হৈছিল। ১৭ শতিকাৰ অসম বুৰঞ্জীৰ এটি অধ্যায়ৰ ওপৰত ভেটি কৰি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সতীজয়মতী নাটকৰ আধাৰত জ্যোতিপ্ৰসাদ আগৰৱলাই ছবিখন নিৰ্মাণ কৰিছিল।

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই অসমীয়া চলচ্চিত্ৰৰ ৯০ বছৰীয়া সোণসেৰীয়া পৰিক্ৰমা উপলক্ষে আজি দিয়া এটা বাৰ্তাত অসমৰ চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত সকলো শিল্পী আৰু কলা-কুশলীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। দেশৰ ভিতৰতে অন্যতম পুৰণি চলচ্চিত্ৰ উদ্যোগ হিচাপে পৰিগণিত অসমীয়া চলচ্চিত্ৰ উদ্যোগটো পুনৰ উজ্জীৱীত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গুৰুত্বপূৰ্ণ নীতি গ্ৰহণ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ চলচ্চিত্ৰ উদ্যোগটোলৈ নৱজাগৰণ অনাৰ লক্ষ্যৰে চলচ্চিত্ৰৰ সৈতে জড়িত লোকসকলৰ লগতে সমূহ চলচ্চিত্ৰ প্ৰেমীক আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

০০০০০

ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিল প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ ২০টা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ বিতৰণ আৰু গ্ৰহণৰ বাবে জিলা প্ৰশাসনে নিয়াৰিকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ইচ্ছুক ব্যক্তিয়ে জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰি দাখিল কৰিব পাৰিব বুলি প্ৰশাসনৰ সূত্ৰই

প্ৰকাশ কৰিছে। আজি এই নিৰ্বাচনৰ সামগ্ৰিক কাম-কাজ পৰিচালনাৰ বাবে জিলাখনৰ আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া খনীন্দ্ৰ চৌধুৰীয়ে সহকাৰী ৰিটাৰ্নিং বিষয়াসকলৰ বাবে এটা প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰে। ইয়াৰ পাছত নিৰ্বাচনৰ মনোনয়ন পত্ৰ গ্ৰহণ ব্যৱস্থা, বেলট বাকচ বিতৰণ, ষ্ট্ৰং ৰুমৰ ব্যৱস্থাকে ধৰি বিভিন্ন দিশ সকলো বিষয়াই পৰ্যবেক্ষণ কৰে।

০০০০০

সমাপ্ত